**ডা° কিশোৰ**

**বনাম**

**মহাৰাষ্ট্ৰ চৰকাৰ আৰু অন্যান্য**

**৭ অক্টোবৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. বি. পাটনায়ক]**

*সেৱা আইন :*

*মহাৰাষ্ট্ৰ চৰকাৰৰ অধীনত তৃতীয় বৰ্গৰ চিকিৎসা বিষয়া হিচাপে তদৰ্থ (ad hoc) নিযুক্তি – নিয়মীয়াকৰণৰ বাবে তদৰ্থ কৰ্মচাৰীৰ লেখ আবেদন – ইয়াৰ মাজতে লোক সেৱা আয়োগৰ দ্বাৰা নিৰ্বাচিত ব্যক্তিৰ আবেদনকাৰীৰ ঠাইত বদলিকৰণৰ যোগেদি নিযুক্তি – ৰায় দিয়া হ'ল যে যথাযথভাৱে নিৰ্বাচিত প্ৰাৰ্থীগৰাকীৰ প্ৰত্যক্ষভাৱে বা বদলিকৰণৰ যোগেদি নিযুক্তি হোৱাৰ লগে লগেই আবেদনকাৰীয়ে অৱধাৰিতভাৱেই তেনে প্ৰাৰ্থীক স্থান দিব লাগিব।*

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : বিশেষ অনুমতি আবেদন (দেৱানী) সংখ্যা ১৯৯৬-ৰ ১৬৫৮৩-৮৪।

অ.এ. সংখ্যা ৪০০/৯৫ আৰু চি.পি. সংখ্যা ১৯৯৪-ৰ ১৮-ত মহাৰাষ্ট্ৰ প্ৰশাসনিক ন্যায়াধিকৰণ, নাগপুৰৰ ১২.৪.৯৬ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ পি. এন. গুপ্তা।

আদালতৰ নিন্মলিখিত আদেশ প্ৰদান কৰা হৈছিল :

আবেদনকাৰীক ২৮ ফেব্ৰুৱাৰী, ১৯৯০-ত তিনিমাহৰ বাবে চিকিৎসা বিষয়া হিচাপে তৃতীয় বৰ্গৰ পদত অস্থায়ী ৰূপত নিয়মৰ বাহিৰত নিযুক্তি দিয়া হৈছিল আৰু সময়ৰ মূৰে মূৰে ইয়াৰ ম্যাদ বৃদ্ধি কৰা হৈছিল। তেওঁৰ সেৱাৰ পৰিসমাপ্তিৰ আশংকাত তেওঁ নাগপুৰস্থিত বম্বে উচ্চ ন্যায়ালয়ত লেখ আবেদন সংখ্যা ২৬৬১/৯০ দাখিল কৰে। উচ্চ ন্যায়ালয়ে বিচাৰ্য বিষয়টো প্ৰশাসনিক ন্যায়াধিকৰণলৈ স্থানান্তৰ কৰিছিল। টি.এ. সংখ্যা ৩৫৫৯/৯২-ত ন্যায়াধিকৰণে ১৫ ছেপ্টেম্বৰ, ১৯৯৩ তাৰিখৰ আদেশৰ দ্বাৰা নিৰ্দেশ দিছিল যে নিৰ্বাচন পৰিষদ বা মহাৰাষ্ট্ৰ লোক সেৱা আয়োগৰ দ্বাৰা যথাযথভাৱে নিৰ্বাচিত প্ৰাৰ্থীসমূহ উপলব্ধ আৰু নিযুক্ত নোহোৱালৈ আবেদনকাৰীক চাকৰি অব্যাহত ৰাখিবলৈ অনুমতি দিয়া হ'ব পাৰে; তেওঁক চাকৰিত বাহাল ৰখাটো চাকৰিৰ পৰা অব্যাহতি দিয়াৰ পূৰ্বে সূচিত কৰাৰ আৱশ্যকীয়তাকে ধৰি কোনো অধিকাৰৰ নিশ্চয়তা নোহোৱাকৈ কেৱল তদৰ্থভাৱেহে আছিল; সৰ্বোত্তম পৰিস্থিতিত তেওঁৰ অন্য প্ৰাৰ্থীসকলৰ সৈতে বিবেচনাযোগ্য হোৱাৰ অধিকাৰ আছিল আৰু যথাযথভাৱে নিৰ্বাচিত হোৱা প্ৰাৰ্থীগৰাকীৰ নিযুক্তি হোৱাৰ লগে লগে তেওঁক চাকৰিৰ পৰা সূচিত নকৰাকৈও অব্যাহতি দিয়াৰ সম্ভাৱনীয়তা আছিল। ৪ জানুৱাৰী, ১৯৯৪ তাৰিখৰ কাৰ্যবিধিৰ জৰিয়তে লোক সেৱা আয়োগৰ দ্বাৰা নিৰ্বাচিত তৃতীয় বৰ্গৰ চিকিৎসা বিষয়া ডা° এচ. এচ. চলাংকিৰ তেওঁৰ নিজৰ অনুৰোধত হোৱা বদলিকৰণৰ যোগেদি আবেদনকাৰীৰ স্থানত নিযুক্তি হৈছিল। আবেদনকাৰীয়ে অ.এ. সংখ্যা ৪০০/৯৫-ত তেওঁৰ অব্যাহতিৰ আদেশক প্ৰত্যাহ্বান জনাইছিল আৰু ন্যায়াধিকৰণে ১২ এপ্ৰিল, ১৯৯৬ তাৰিখৰ বিতৰ্কিত আদেশত আবেদনখন খাৰিজ কৰিছিল। সেয়েহে এই বিশেষ অনুমতিৰ আবেদনকেইখন দাখিল কৰা হৈছে।

আবেদনকাৰীৰ পক্ষৰ বিদ্বান অধিবক্তাই যুক্তি আগবঢ়াইছে যে যিহেতু খালী পদসমূহ বিদ্যমান, সেইবাবে ডা° চলাংকিৰ বদলিকৰণৰ জৰিয়তে হোৱা নিযুক্তিক

আবেদনকাৰীক সেৱাৰ পৰা অব্যাহতি দিয়াৰ উপায় হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। আমি এই যুক্তি মানি ল'বলৈ অপাৰগ। বিদ্বান অধিবক্তাৰ দ্বাৰা সু-সন্মতি জনোৱা হৈছে যে আবেদনকাৰীৰ পদটোৰ ওপৰত কোনো অধিকাৰ নাই আৰু যথাযথভাৱে নিৰ্বাচিত প্ৰাৰ্থীগৰাকীৰ তেওঁৰ স্থানত নিযুক্তি হোৱাৰ লগে লগেই তেওঁ যথাযথভাৱে নিৰ্বাচিত প্ৰাৰ্থীগৰাকীক স্থান এৰি দিব লাগিব। কিন্তু তেওঁৰ যুক্তি হৈছে যে যিহেতু ন্যায়াধিকৰণে আদেশ প্ৰদান কৰাৰ আগতেই ডাঃ চলাংকি নিৰ্বাচিত হৈছিল আৰু তেওঁৰ বদলিকৰণৰ যোগেদি নিযুক্ত হৈছিল, গতিকে এয়া আবেদনকাৰীক সেৱাৰ পৰা অব্যাহতি দিয়াৰ উপায় হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। তেওঁৰ বিবাদত কোনো সবল যুক্তি নাই। যথাযথভাৱে নিৰ্বাচিত প্ৰাৰ্থীগৰাকী প্ৰত্যক্ষভাৱে বা বদলিকৰণৰ যোগেদি নিযুক্ত হোৱাৰ লগে লগেই আবেদনকাৰীয়ে অৱধাৰিতভাৱে তেওঁৰ স্থানটো তেনে এক প্ৰাৰ্থীক এৰি দিব লাগিব। গতিকে আবেদনসমূহ হস্তক্ষেপৰ বাবে যথোপযুক্ত নহয়।

সেই অনুসৰি এই বিশেষ অনুমতি আবেদনসমূহ খাৰিজ কৰা হ'ল।

আবেদনসমূহ খাৰিজ কৰা হ'ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)